# আবেগ

সীতানাথ ব্ৰহ্মচৌধুৰী

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

( শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল মহাশয়ৰ
ভূমিকাৰে সৈতে। )

প্ৰকাশক
শ্ৰীধনীৰাম গগৈ।
নখ্যাই বাগিচা, তিনচুকীয়া।
আসাম।

GOVERNMENT OF AS...
Call No........
DISTRICT LIBRARY.

বেচ ।• অনা।

প্রিণ্টাৰ—শ্ৰীৰাজেন্দ্ৰলাল সৰকাৰ।
কাত্যায়নী মেচিন প্ৰেচ
২৬নং কৰ্ণওয়ালিস ষ্ট্ৰীট কলিকাতা।

শ্ৰদ্ধাস্পদ

শ্ৰীযুত গোলাপচন্দ্ৰ ৰাভা

মহাশয়ৰ শ্ৰীচৰণেষু।

# সূচী


| | পিঠি |
|---|---|
| ভূমিকা | ।৶০ |
| সেরক … … | ১ |
| প্রেরণা … … | ৯ |
| আজি … … | ১১ |
| সন্তান … … | ১২ |
| সাধনা … … | ১৬ |
| জীৱন-সঙ্গীত … … | ১৭ |
| মুক্তি-প্ৰয়াসী … … | ১৮ |
| বাসনা … … | ১৯ |
| যাত্ৰী … … | ২০ |
| আৱাহন … … | ২৪ |
| পদুমকলি … … | ২৭ |
| প্ৰতিদান … … | ২৯ |
| তোমাৰে … … | ৩২ |
| সত্য … … | ৩৩ |
| আত্মসম্মান … … | ৩৪ |
| আকাঙ্ক্ষা … … | ৩৫ |
| সাধনা … … | ৩৬ |
| জীৱন … … | ৪০ |

| | | | পিঠি |
|---|---|---|---|
| উপেক্ষা | ... | ... | ৪৪ |
| প্ৰতিদ্বন্দী | ... | ... | ৪৬ |
| দান | ... | ... | ৪৭ |
| নিবেদন | ... | ... | ৪৯ |
| জাতীয় সঙ্গীত | ... | ... | ৫০ |
| কামিনী | ... | ... | ৫২ |
| সংসাৰ | ... | ... | ৫৪ |
| মিনতি | ... | ... | ৫৫ |
| আগমনী | ... | ... | ৫৭ |
| মিলন | ... | ... | ৫৯ |
| সমৰ্পণ | ... | ... | ৬১ |
| উদগণি | ... | ... | ৬২ |
| লঙানদী | ... | ... | ৬৫ |
| ভুল | ... | ... | ৬৭ |
| ভাগ্য | ... | ... | ৬৯ |
| আনন্দত | ... | ... | ৭২ |
| অস্তিমত | ... | ... | ৭৪ |

PLEASE HANDLE THE BOOK CAREFULLY.

# আবেগ

## ভূমিকা

[ লিখোঁতা—শ্ৰীযুত পদ্মধৰ চলিহা এম-এ, বি-এল । ]

আবেগ মানৱৰ চিৰ লগৰীয়া। মানস-সৰোবৰত আবেগৰ লহৰী চিৰদিন লীলায়িত হৱই লাগিছে। সুখ-দুঃখ, হৰ্ষ-বিষাদ, আশা-নিৰাশা, ভয়-ভ্ৰান্তি, প্ৰেম-ভক্তি ভিন ভিন ধৰণৰ আবেগ মানৱ-জীৱনৰ ভিন ভিন অৱস্থাত ফুটি উঠে। মহৎ আৰু মধুৰ আবেগতে মানৱৰ মনুষ্যত্ব বিকসিত আৰু বিকাশিত হয়। আবেগৰ সঁজুলি লৈয়ে কবিয়ে অনুপম সৌন্দৰ্য্য-ৰাজ্যৰ সৃষ্টি কৰে। আবেগৰ ভেঁটিৰ ওপৰতে মহা কাব্যৰ প্ৰাণ-প্ৰতিষ্ঠা হয়। আবেগৰ চকুলোৰে দেৱতাৰ চৰণ ধুৱাই প্ৰাণত স্বৰ্গীয় শান্তি অনুভব কৰা যায়। প্ৰিয়জনৰ উদ্দেশে আবেগৰ অঁাজলি আগবঢ়ালে হৃদয়ৰ ভাৰ বহুত গুনে পাতলে। সৱাতকৈ ওখ ধৰণৰ আবেগ হৈছে ভগৱৎ-প্ৰেম। ই অন্তৰক পবিত্ৰ সলিলেৰে অভিষিক্ত কৰে, সাংসাৰিক জঞ্জালৰ মাজতো শান্তিৰ অমিয়া ঢালি দিয়ে, হৃদয়-আকাশক এটি অনুপম মহিমাময় জ্যোতিৰে উদ্ভাসিত কৰে; মানৱাত্মাক ওখ ভাব-ৰাজ্যলৈ তুলি নি পৰমাত্মাৰে সৈতে পবিত্ৰ আৰু ঘনিষ্ঠ সম্বন্ধ ঘটায়।

শ্ৰীমান সীতানাথ ব্ৰহ্মচৌধুৰীৰ 'আবেগ' নামৰ পুথিখনিৰ সৰহ ভাগ কবিতাই স্বদেশ-প্ৰেম আৰু ভগৱৎ-প্ৰেমৰ গভীৰ

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

উচ্ছ্বাস। এই তৰুণ কবিৰ ঘৰ গোৱালপাৰা জিলাৰ ধুবুৰী অঞ্চলত ;—যত অসমীয়া ভাষাই এতিয়াও খোপনি পুতি লব পৰা নাই এথোন,—য'ত বঙ্গ-ভাষাৰ লগত অসমীয়া ভাষাৰ টনা-আজোৰা চলিয়েই আছে, এনে আহুকলীয়া পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত অসমীয়া ভাষাৰ একনিষ্ঠ সেৱা কৰিবলৈ যে কিমান নৈতিক বল আৰু স্বদেশ-হিতৈষণাৰ প্ৰয়োজন সেই কথা বহলাই নকলেও হব। শ্ৰীমান ব্ৰহ্মচৌধুৰীয়ে এই দুটি গুণৰ চিনাকী দিয়াৰ বাবে সমূহ অসমীয়াৰে তেওঁ শলাগৰ পাত্ৰ।

১৯২৫ চনত ধুবুৰীত বহা আসাম সাহিত্য সম্মিলনীলৈ যাওঁতে শ্ৰীমানৰ ৰচিত 'কমলকলি' নামৰ মনমোহা কবিতাৰ পুথি এখনি উপহাৰ স্বৰূপে পাই নথৈ বং পালোঁ। ধুবুৰী অঞ্চলৰ কছাৰী সম্প্ৰদায়ৰ কোমলবয়সীয়া পঢ়াশলীয়া ছাত্ৰ এজনে এখনি সুন্দৰ অসমীয়া পুথি উলিওৱা দেখি ভাবিলোঁ, আমাৰ ভাষাৰ ভৱিষ্যতৰ বিষয়ে একেবাৰে হতাশৰ হমুনীয়া কাঢ়িবৰ কাৰণ নাই। শ্ৰীমান আজি এবছৰমানৰ পৰা শিৱসাগৰ হাইস্কুলত পঢ়ি প্ৰবেশিকা পৰীক্ষাৰ কাৰণে সাজু হৈছে। ইয়াৰ ভিতৰতে তেওঁৰ ৰচিত 'চকুলো' নামৰ সৰু কাব্য এখনি শ্ৰীমান বিপুনাথ গোহাঁই নামৰ শিৱসাগৰীয়া উদ্যোগী ছাত্ৰ এজনে নিজ খৰচত প্ৰকাশ কৰি অকৃত্ৰিম বন্ধুতা আৰু সুগভীৰ সাহিত্যানুৰাগৰ পৰিচয় দিয়াত আমি অতি আনন্দ পাইছোঁ।

সম্প্ৰতি শ্ৰীমান ব্ৰহ্মচৌধুৰীয়ে 'আবেগ' নামৰ পুথিখনি ৰাইজলৈ আগ বঢ়াইছে। ইয়াত ৩৫টি খণ্ড কবিতা আছে।

যি ৰচনাৰ ভাবে শুনোঁতা নাইবা পঢ়োঁতাৰ হৃদয়ৰ তন্ত্ৰীত জোঁকাৰ দিব পাৰে আৰু অন্তৰৰ অন্তঃস্থলত প্ৰবেশ কৰি সহানুভূতিৰ স্পন্দন তুলিব পাৰে, যি ৰচনাৰ মধুৰ ভাবক সুন্দৰ ভাষাৰে, বাছকবনীয়া অলঙ্কাৰ-পাতিৰে সজাই-পৰাই সৌন্দৰ্য্যৰ সৃষ্টি কৰি এটি চিৰন্তন আৰু বিশ্বজনীন সত্য জগতক দিব পাৰে—সিয়েই কবিতা নামৰ উপযোগী হয়। ইংৰাজ কবি কীট্‌ছৰ মতে সত্যই হৈছে সৌন্দৰ্য্য আৰু সৌন্দৰ্য্যই হৈছে সত্য। "Truth is Beauty, Beauty Truth." কবি সৌন্দৰ্য্যৰ পূজাৰী, সত্যৰ মহিমা জগৎবাসীৰ মাজত প্ৰচাৰ কৰে।

'আবেগ'ত প্ৰকৃত কবিতাৰ ভালেমান গুণ জিলিকি উঠিছে। মহৎ ভাবেৰে অনুপ্ৰাণিত হৈ তৰুণ কবিয়ে লিখনী ধৰিছে। 'সেৱক' নামৰ পোণ-প্ৰথম কবিতাটিয়েই কবিৰ উদ্দেশ্য শুৱলাকৈ ফুটাই তুলিছে। বাণীৰ সৌন্দৰ্য্য-সভালৈ তেওঁ "আদৰুৱা আহ্বানেৰে আমন্ত্ৰিত" হৈ আহিছে। তাত ভাবত বিভোৰ ভকতবৃন্দই অমিয় কণ্ঠেৰে বাণীৰ স্তুতি-গীত গাইছে; সেই গীতৰ মধুৰ জোঁকাৰ বিশ্বৰ প্ৰাণত ধীৰে ধীৰে মলয়াত ভাহি আহিছে,—শান্ত স্নিগ্ধ আকাশত তৰাবে সৈতে হাঁহিছে। এই মাহেন্দ্ৰ ক্ষণত কবিয়ে মনে মনে ভাবিছে:—

"ময়ে মাথোঁ বহি আছোঁ গীতহীন বাক্যহীন
বিমুগ্ধ হিয়াত;
কোৱাঁ বাণী, কোৱাঁ বাণী, কিবা গাম, কিবা কম
তোমাৰ সভাত?

অধমক মাতি আনি
তুলি দিলা বীণধ্বনি
কোন শুভ শান্ত স্নিগ্ধ
সৌন্দৰ্য্য ৰাজ্যৰ,
মোৰ পৰশত ইকি
জোঁকাৰি উঠিব নেকি,
কবনে গোপন কথা
বিশ্ব-ব্ৰহ্মাণ্ডৰ ?
মোৰ ক্ষুদ্ৰ জগতৰ হাঁহি-কান্দোনৰ গান
বাজিছে হিয়াত ;
কোন্‌বা বাণী, কিবা গাম, কিবা কম
তোমাৰ সভাত ?

মোৰ ক্ষুদ্ৰ আকাশক ঢাকিছে এন্ধাৰ মেঘে
বিষাদ-কৰুণ ;
মোৰ ক্ষুদ্ৰ জগতত উদোতে লুকাল পুনু
কিশোৰ অৰুণ ;
প্ৰাণৰ যতনা ভুল,—
মোৰেই কতনা ফুল —
নুফুলোতে ধৰণীত
কৰিলে শয়ন ;

মৰুভূত পালে লয়
অকস্মাৎ অসময়
প্ৰাণৰ নিজৰা মোৰ
সঙ্গীত-জীৱন ;—
গাম নেকি এইবোৰ ? পেলাবানে তুমি ৰাণী,
শোক অশ্ৰু-জল ?
নীৰবে শুনিব নেকি তোমাৰ ৰাজ্যৰ এই
প্ৰকৃতি চঞ্চল ?”

তৰুণ কবিৰ কোমল অন্তৰ আবেগত চাটি-ফুটি কৰিছে ; কি গাব, কি কব ভাবিয়েই উৱাদিহ নোপাৱো হৈছে ! এবাৰ ভাবিছে হিয়াৰ অফুট যাতনাকে সঙ্গীতৰ তানত তুলি হিয়াৰ ভাৰ পাতলাব ; তাৰ পিছত আকৌ ভাবিলে ;—

“আজি আনন্দৰ দিন,—গাম নেকি গাম তেনে
আনন্দৰ গান,
আহৰি যতনে মোৰ ক্ষুদ্ৰ হিয়া সৰগ-ৰাজ্যৰ
নিজৰাৰ তান ?
তোমাৰ হাঁহিৰ ঢউ
মাণিকীমধুৰী মউ
মধুৰবো মধুৰেৰে
মধুৰিমাময়,—
মোৰ ক্ষুদ্ৰ জীৱনৰ
আনন্দৰ আবেগৰ

অকণি হিয়াৰ এই
অমৃত অক্ষয় ;—
পিয়লা ভৰাই আজি আগত ধৰিম নেকি
গাম তাৰে গান ?
কোৱাঁ ৰাণী, আগ্ৰহেৰে গ্ৰহণ কৰিবা নেকি
আনন্দৰ দান ?”

শেষত কবিয়ে এই বুলি স্থিৰ কৰিলে যে তেওঁ “ভকতিৰ ভাবৰাজি যতনে আহৰি” ৰাণীৰ চৰণত দান কৰিব ;—

তোমাৰ মহিমা-চিন উৰক বিজয়-গৰ্ব্বে
দূৰ আকাশত,
নীৰৱে কৰক গান এই বিশ্ব-প্ৰকৃতিৰ
নীৰৱ ৰাজ্যত।”

কবিৰ পূজা তেতিয়াহে পূৰ্ণ হব আৰু

“পূজাৰ অন্তত ৰাণী, মাগিমহি ভকতিৰে
তৱ আশীৰ্ব্বাদ
আহিলে সন্ধিয়া মোৰ নীৰৱে লুকাম যাওঁ
তোমাৰে কোলাত !”

খন্তেকৰ পিছতে কবিয়ে ভাষাদেবীৰ সুৰৰূপী বৰ লাভ কৰি নতুন প্ৰেৰণা পাই সংকল্প কৰিলে যে তেওঁ “নিতে নিতে নব গান নব প্ৰাণে ৰচনা” কৰিব :—

“গাম প্ৰিয়, গাম মই গান
নানা তানে নানা ছন্দে নিজমনে আনন্দিত প্ৰাণ !

দেখিম দেখিম প্ৰিয়, গছপাত সবে নে নসৰে,
আনন্দ-বলিয়া বায়ু থাকি থাকি লবে নে নলবে,
অতল গভীৰ সিন্ধু নাকান্দেনে চৰণত পৰি,
সৰগৰ মন্দাকিনী নাহেনেকি মৰতলৈ' লৰি
সিঁচি শান্তি-বাৰি !"

মধুৰ আবেগৰ উত্তেজনাত কবিৰ মনলৈ এনে ভাব আহিছে যেন তেওঁৰ প্ৰাণটি সেই চিৰ প্ৰিয়, চিৰ সুন্দৰৰ গীত-ভৰা বাঁহী এটিহে। কেনে নিখুঁত গহীন ভাষাৰে এই গধুৰ আৰু মধুৰ ভাবটি প্ৰকাশ কৰিছে।--

"ওপৰত—তৰাভৰা অনন্ত আকাশ ;
তলত—নীৰলে মই আজি বহি বহি
ভাৱিছো—মোৰ ই প্ৰাণ প্ৰেমৰ আভাস—
হে প্ৰিয়, তোমাৰে যেন গীতভৰা বাঁহী !"

ইংৰাজ কবি ওৱাৰ্ডছৱৰ্থৰ দৰে কবিয়ে প্ৰকৃতিৰ লগত একীভূত হৈ জগৎস্ৰষ্টাৰ পদত আত্ম সমৰ্পণ কৰি অনুপম আনন্দ অনুভৱ কৰিছে।

স্বদেশ প্ৰেমৰ আবেগও কেইটিমান কবিতাত সুন্দৰকৈ ফুটি উঠিছে। এই প্ৰেমৰ আবেগ ভৰত মাতৃভূমিৰ সুযোগ্য সন্তানে মাতৃৰ চৰণৰ ধূলিকে সৰগ-সমান জ্ঞান কৰি, জননীৰ কোমল বুকুকে "দেৱৰো বাঞ্ছিত ঠাই" বুলি ভাবি মাতৃৰ গুণ-গৰিমা জগতত প্ৰচাৰ কৰিবলৈ আগ বাঢ়ি কৈছে :—

"বুজক জগতে মহিমা অপাৰ,
দেখক মধুৰ মূৰতি তোমাৰ,
জানক কেনে নো তোমাৰ সন্তান,
কিবা নো তোমাৰ দান।—
জগত-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ গান।"

বিশৃঙ্খল মানৱ-সমাজত সাধক সকল অৱতীৰ্ণ হৈ মদ-গৰ্ব্বীৰ দৰ্প ধ্বংস কৰি, দুৰন্ত শক্তিৰ অত্যাচাৰ ভৰিৰে মোহাৰি, ধৰ্ম্মৰাজ্য স্থাপন কৰি, জগতৰ কি মহৎ কল্যাণ সাধিব পাৰে "সাধক" কবিতাটিত ফটফটীয়া কৈ দেখুওৱা হৈছে :—

"সমস্ত জগতো যদি অন্ধতাৰ জয়ধ্বজা তুলি
অতুল অমৰ তত্ব শকতিক কৰে অপমান,
দুৰন্ত পাপৰ শক্তি অকস্মাৎ যদি উঠি জ্বলি
ধৰমৰ বিশ্বখনি নাশিবলে, হয় আগুৱান;
মই যেন জ্বলি উঠো তেতিয়াই উল্লাস অধীৰ
সৰ্ব্ব শক্তি লই মোৰ, ল'ই প্ৰাণ, ল'ই এই মন,
ধ্বংস কৰি যত দৰ্প, অত্যাচাৰ দুৰন্ত শক্তিৰ,
পাৰো যেন জগতত ধৰ্ম্মৰাজ্য কৰিব স্থাপন।"

সেই একেটি সুৰতে উতলা যৌৱনলৈ আকুল আবাহন জনাই তৰুণ কবিয়ে কাতৰোক্তি কৰিছে :—

লাঞ্ছিতা দ্ৰৌপদী-ধৰা আজি
কত পাপ-কীচক পদত,

কৰিমহি প্ৰতিকাৰ তাৰ,
হম ভীম, ভীম-বীৰব্ৰত।"

মানৱ জীৱনৰ অতি ওখ আদৰ্শ "আকাঙ্ক্ষা" কবিতাটিত আঙুলিয়াই দিয়া হৈছে :—

"হ'ক প্ৰভু, হ'ক মোৰ সত্যই ভূষণ,
স্বাধীনতা হ'ক মোৰ লক্ষণীয় ধন ;
বওক প্ৰাণত শৌৰ্য্য অদম্য বেগত,
থাকক ই শিৰ মোৰ চিৰ বীৰ্য্যোন্নত।.

* * * *

চিৰমুক্ত ই বিশ্ব বন্যশিশু হম,
নামানিম বাধা কাৰো কাপুৰুষ সম,
হম মই চিৰবীৰ, চিৰমুক্ত প্ৰাণ—
গাম আনন্দৰ স'তে চিৰ জয়গান !"

নৰনাৰায়ণৰ প্ৰকৃত সেৱকৰ জীৱনৰ মহাব্ৰত "সাধনা" কবিতাটিত কোৱা দৰে পালন কৰিব পাৰিলে "সাধনাত সিদ্ধি লাভ কৰিব পৰা যায় :—

"যতনেৰে সেৱা কৰি বিশ্বমানৱক
লভিমহি অমৰ মৰণ,
হ'ব হ'ব পূৰ হ'ব প্ৰাণৰ সাধনা,
হ'ব মোৰ সাৰ্থক জীৱন।

* * *

তাপিতৰ, দুখীয়াৰ, পৰৰ সেৱাতে
উছর্গিম্ মোৰ ই জীৱন,
সাধনাত সিদ্ধি লভি আনন্দৰ সতে
লভিমহি স্বৰ্গীয় মৰণ।"

বিশ্বাধিপতিৰ চৰণত তৰুণ কবিয়ে কাতৰ নিবেদন জনাইছে এই সংসাৰৰূপী কুৰুক্ষেত্ৰত, তুমুল জীৱন-সংগ্ৰামত, তেওঁৰ বিজয় ধ্বজা বহন কৰি তেওঁৰ গৌৰৱ প্ৰচাৰ কৰিবলৈ কবিক যেন সেনাপতি পদত বৰণ কৰে যাতে তেওঁ সগৰ্ব্বে কব পাৰে :

"তুমি মোৰ গুৰু, প্ৰভু, জগতৰ তুমি অধিপতি,
নিখিল জগত তৱ, মই তৱ গৰ্ব্বী সেনাপতি !"

"লঙা নদী" কবিতাটিত ভাবৰ গভীৰতা, ছন্দৰ অবাৰিত গতি আৰু ভাষাৰ অনুপম মাধুৰী সচাঁকৈয়ে শলাগিব লগীয়া। ইংৰাজী সাহিত্যত টেনিছনৰ "ব্ৰুক" ( The Brook ) নামৰ কবিতাটিয়ে যেনে ওখ আসন পাইছে, অসমীয়া সাহিত্যতো এই কবিতাটিয়ে তেনে আসন পাব বুলি মোৰ বিশ্বাস। কবিতাটিৰ ভাষাই ভাবটি সুন্দৰকৈ ফুটাইছে। "লঙা নদী"ৰ প্ৰত্যেক শব্দই হৃদয়ত প্ৰতিধ্বনি তুলি যেন "নীৰৱে বিভিয়াই বিভিয়াই" কৈছে :—

"হেজাৰ হেজাৰ বছৰ গইছে, হেজাৰ হেজাৰ লাগিছে যাব,
হেজাৰ হেজাৰ বছৰ যায়, বছৰ আছে গই ;
পুৰণি জগৎ, পুৰণি লীলা, সকলো আজি সপোন হ'ল,
লঙা নদী, তয়েহে আজিও অকলে আছ ৰই !

*　　*　　*

সকলো গ'ল, সকলো গ'ল সকলো আজি সপোন হ'ল,
কোনেনো জানে কেনিনো গ'ল কাৰ নো কিনো হ'ল ?
কালৰ হাত তুচ্ছ কৰি, ছিন্ন কৰি তয়েহে অকল ৰলি,
লণ্ডা নদী, তোৰেহে গান আজিল'কে ৰ'ল !

*　　*　　*

লণ্ডা নদী, লণ্ডা নদী, অমৰ নদী, তয়েহে অকল ৰবি,
সিহঁতকে ল'ই মনৰ সুখত খেলিবি খেলা, গাবিহি গান,
আমাৰ কথা, আজিৰ কথা, তেতিয়া জানো ভাবিবি তই ?
লণ্ডা নদী ভাবিয়ে হওঁ দুখত আকুল প্ৰাণ !"

যেতিয়া অন্তিম কালত মানৱ জীৱনৰ যৱনিকা পৰিব, বিজয়-লক্ষ্মীয়ে বৰমাল্য ধৰি সুকোমল দুহাতেৰে সাদৰে মাতিব তেতিয়া কবিয়ে হাঁহি হাঁহি কব :—

"অজ্ঞাত সুদূৰ—
আছে যত চিৰদিন কোমল মধুৰ
আনন্দ, প্ৰণয় সুখ, শান্তি সুনিৰ্ম্মল,
বয় নিতে প্ৰেমগীত পৱন হিল্লোল,
যাম সেই অসমীত—হাতে হাতে ধৰি
বিজয়-লক্ষ্মীৰ স'তে বাই স্বৰ্ণতৰী !"

এই আগ-কথা কেষাৰিৰে "আবেগ"ক অতি আনন্দেৰে আৰু আগ্ৰহেৰে ৰাইজক আগবঢ়োৱা হ'ল। পুথিখনিয়ে অসমীয়া ৰাইজৰ হাতত সমুচিত আদৰ পাব বুলি ভৰসা

কৰিলো। অসমীয়া সাহিত্যতেই শ্ৰীমান ব্ৰহ্মচৌধুৰীৰ পৰা বহুত আশা কৰে। মাতৃভাষাৰ চৰণত বাছকবনীয়া ভাব-কুসুমৰ অঞ্জলি অৰ্পণ কৰিবলৈ তেওঁক পৰমেশ্বৰে দীৰ্ঘায়ু আৰু শক্তিমন্ত কৰক।

শিৱসাগৰ।
১লা ফাগুণ, ১৮৫১ শক।

"নেজানি সোমালো আইৰে ফুলনি,
নিচিনি ছিঙিলো কলি,
ইবোৰ দোষকে ক্ষমিবা গোঁসানী,
মাতো চৰণতে ধৰি।"

# আবেগ

## সেৱক

সৌন্দর্য্য-সভাত তৱ কতনা ভকত স'তে
মোকো মাতি আনি
সমাদৰে বহুৱাই হাঁহিছা নীৰৱ হাঁহি
আজি তুমি ৰাণী !
ভাবত বিভোৰ সৱ
যতনা ভকত তৱ
আদৰুৱা আহ্বানেৰে
আজি আমন্ত্ৰিত.

ৰাখিব তোমাৰে মান
ধৰি ভকতিৰ তান
অমিয়া সুৰত গায়
তৱ স্তুতিগীত!
সেই স্তুতি গীত স'উ শান্ত-স্নিগ্ধ আকাশত
তৰাসম হাঁহে,
মধুৰ জোঁকাৰ তাৰ বিশ্বৰ প্ৰাণত ধীৰে
মলয়ত ভাহে।

মন্দে মাথোঁ বহি আছো গীতহীন বাক্যহীন
বিমুগ্ধ হিয়াত,
কোৱাঁ ৰাণী, কোৱাঁ ৰাণী, কিবা গাম, কিবা ক'ম
তোমাৰ সভাত?
অধমক মাতি আনি
তুলি দিলা বীণখনি
কোন শুভ শান্ত স্নিগ্ধ
সৌন্দৰ্য্য ৰাজ্যৰ,

মোৰ পৰশত ইকি
জোঁকাৰি উঠিব নেকি,
ক'বনে গোপন কথা
বিশ্ব-ব্ৰহ্মাণ্ডৰ ?
মোৰ ক্ষুদ্ৰ জগতৰ হাঁহি-কান্দোনৰ গান
বাজিছে হিয়াত ;
কোৱাঁ ৰাণী, কোৱাঁ ৰাণী, কিবা গাম, কিবা ক'ম
তোমাৰ সভাত ?

মোৰ ক্ষুদ্ৰ আকাশক ঢাকিছে এন্ধাৰ মেঘে
বিষাদ করুণ,
মোৰ ক্ষুদ্ৰ জগতত উদোতে লুকাল পুনু
কিশোৰ অৰুণ ;
প্ৰাণৰ যতনা ভুল,—
মোৰেই কতনা ফুল
নুফুলোতে ধৰণীত
কৰিলে শয়ন ;

মৰুভূ'ত পালে লয়
অকস্মাৎ অসময়
প্ৰাণৰ নিজৰা মোৰ
সঙ্গীত-জীৱন ;—
গাম নেকি এইবোৰ ? পেলাবানে তুমি ৰাণী,
শোক-অশ্ৰুজল ?
নীৰবে শুনিব নেকি তোমাৰ ৰাজ্যৰ এই
প্ৰকৃতি চঞ্চল ?

নহয় নহয় তেনে, নিদিওঁ যাতনা মই
তোমাৰ হিয়াত .
হিয়াৰ যাতনা মোৰ যতনে ৰাখিম ঢাকি
তোমাৰ সভাত ।
তোমাৰ পৱিত্ৰ দিন
দুখত নহ'ক লীন,
কৰুণৰ ঠাই আজি
নহয় নহয়,

তোমাৰ মুখৰ হাঁহি
যেনে ফুলা ফুলপাহি,
অকাল-সন্ধিয়া আনি
নকৰিম লয় ।
আনন্দ-আকুল এই গায়ক দলক মই
নকৰো নিমাত ;
কোৱাঁ বাণী, কোৱাঁ বাণী, কিবা গাম, কিবা ক'ম
তোমাৰ সভাত ?

আজি আনন্দৰ দিন,—গাম নেকি গাম তেনে
আনন্দৰ গান,
আহৰি যতনে মোৰ ক্ষুদ্ৰ হিয়া সৰগ-ৰাজ্যৰ
নিজৰাৰ তান ?
তোমাৰ হাঁহিৰ ঢউ
মাণিকীমধুৰী মউ
মধুৰৰো মধুৰেৰে
মধুৰিমাময়,—

মোৰ ক্ষুদ্ৰ জীৱনৰ
আনন্দৰ আবেগৰ
অকণি হিয়াৰ এই
অমৃত অক্ষয়,—
পিয়লা ভৰাই আজি আগত ধৰিম নেকি
গাম তাৰে গান ?
কোৱাঁ ৰাণী, আগ্ৰহেৰে গ্ৰহণ কৰিবা নেকি
আনন্দৰ দান

আজি যে পৱিত্ৰ দিন,—কোৱাঁ ৰাণী, গাম নেকি
গীত ভকতিৰ,
তোমাৰ মন্দিৰ মাজে নীৰৱে জ্বলাম নেকি
দীপ আৰতিৰ ?
সৰগৰ মৰতৰ
মোৰ এই হৃদয়ৰ
নীৰৱ সুৰত গোৱা
ভকতিৰ গান,

আহৰি যতনে আজি
ভকতিৰ ভাবৰাজি,
তোমাৰেই চৰণত
কৰিম নে দান ?
তোমাৰ মহিমা চিন উৰোক বিজয় গৰ্ব্বে
দূৰ আকাশত,
নীৰৱে কৰোক গান এই বিশ্ব-প্ৰকৃতিৰ
নীৰৱ-ৰাজ্যত !

আজি উলাহৰ দিন,—গাম বাণী, গাম তেনে
উলাহৰ গীত,
প্ৰাণৰ উলাহ আৰু বীৰত্ব-গৌৰৱ যত
তোমাৰে অৰ্পিত।
তোমাৰে পূজাত তেনে
তাকেই উলাহ-মনে
যতনে নৈবেদ্য সাজি
কৰিম অৰ্পণ,—

পূৰ্ণ হ'ব পূজা মোৰ,
পূৰ্ণ হ'ব হৃদয়ৰ
আকাঙ্ক্ষা সাধনা যত—
সাৰ্থক জীৱন !
পূজাৰ অন্তত ৰাণী, মাগিমহি ভকতিৰে
তৱ আশীৰ্ব্বাদ ;
আহিলে সন্ধিয়া মোৰ নীৰৱে লুকাম মাথোঁ
তোমাৰে কোলাত !

# প্ৰেৰণা

দিলা তুমি দিলা মোক সুৰ
উছাহে আনন্দে মোৰ হিয়াখনি হ'ল ভৰপূৰ।
বিভোৰ প্ৰাণেৰে গাম নিজমনে বিশ্বৰ সঙ্গীত,
ঢালিম অমিয়া শান্তি জগতৰ হৃদয় তলিত,
নিতে নিতে নৱ গান নৱপ্ৰাণে কৰিম ৰচনা,
তোমাৰে অমিয় দান নিজমনে কৰিম যোজনা
কত মউ সনা।
শুনি শুনি তুমি প্ৰিয়, আনন্দত মুগ্ধ প্ৰাণমন
সুখ-অশ্ৰু কৰা বিসৰ্জ্জন।

নিতে নিতে খন্তেকো নৰ'ই
হিয়াভৰা আশাস'তে মুগ্ধ বিশ্বে চায় মুখল'ই ।—
কতনা গভীৰ প্ৰেম, কত গীত, আকুল বাসনা,
অতুল অমৰ দান, নিজমনে নীৰৱ সাধনা ;
ৰাতিদিন অন্তহীন পৰাণত জগাইছে ধ্বনি,
মই খোজো মুগ্ধপ্ৰাণে তাৰেই কৰিব প্ৰতিধ্বনি
ল'ই বীণখনি ।
তুমি মোৰ, বিশ্ব মোৰ, সৱে মোৰ, সকলোৰে গান
সকলোৰে নচুৱায় প্ৰাণ ।

গাম প্ৰিয়, গাম মই গান
নানা তানে নানা ছন্দে নিজমনে আনন্দিত প্ৰাণ ।
দেখিম দেখিম প্ৰিয়, গছপাত সৱে নে নসৱে,
আনন্দ-বলিয়া বায়ু থাকি থাকি লৱে নে নলৱে,
অতল গভীৰ সিন্ধু নাকান্দেনে চৰণত পৰি,
স্বৰ্গৰ মন্দাকিনী নাহেনেকি মৰতলৈ' লৰি
সিঁচি শান্তিবাৰি !
অকস্মাৎ প্ৰেমভৰা বুকুখনি এই ধৰণীৰ
নকঁপেনে আকুল অধীৰ !

# আজি

ৰজনীৰ অন্ধকাৰে ঢাকিছে অবনী,
দিনৰ সি কোলাহল নীৰৱ এতিয়া ;
ঝিলিৰ শুনিছো মাথোঁ করুণ বিননি,
মাজে মাজে ফেঁচা-মাত শুনিছো কঠুৱা।
ওপৰত তৰাভৰা অনন্ত আকাশ ;
তলত—নীৰৱে মই আজি বহি বহি
ভাবিছো—মোৰ ই প্ৰাণ প্ৰেমৰ আভাস—
হে প্ৰিয়, তোমাৰে যেন গীতভৰা বাঁহী।
এই ভাগৰুৱা দুখ-তাপিত জগত
শুনিব মোৰেই গীত পাতি আছে কাণ,—
মোৰেই প্ৰেমেৰে ভৰা সৰল গীতত
জুৰাবহি দুখভৰা ভাগৰুৱা প্ৰাণ।
হে প্ৰিয়, পলম কিয় ?—লোৱাঁহি ওঁঠত,
বজোৱাঁ বজোৱাঁ আজি ;—শুনক জগত !

# সন্তান

জগত-সভাত গাম তৱ গীত
ল'ই মোৰ বীণখনি,
বিদায় জননী, পূজিম চৰণ
অযুত ভক্ত আনি।

জানো আই তৱ গৌৰৱ অপাৰ,
জানো আই, শত মহিমা তোমাৰ
পুণ্য-আশীৰ্ব্বাদে জীৱন আমাক
নিতউ কৰিছা দান।
জগত-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ-গান।

তোমাৰ ভৰিৰ ধূলিয়ে' আমাৰ
স্বৰগ সমান আই,
অতুল তোমাৰ কোমল বুকুৰে'
দেৱৰো বাঞ্ছিত ঠাই।

পাওঁ নৱ প্ৰাণ তোমাৰ কথাত,
লভোঁহি উছাহ তোমাৰ চুমাত,
তোমাৰ মধুৰ মূৰতিয়ে মোক
অমৃত কৰায় পান।
জগত-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ-গান।

দিয়া আই, আজি মূৰত হে মোৰ
আনন্দ-মনেৰে তুলি
দেৱতা-বাঞ্ছিত তৱ চৰণৰ
পৰম পৱিত্ৰ ধূলি ;

কোলাত ল'ইহে কৰা আশীৰ্ব্বাদ,
দিয়াহি উছাহ মধুৰ চুমাত,
আনন্দ-চকুলো দিয়া মালা গাঁথি
অধম পুত্ৰক দান ;
জগৎ-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ-গান

মুকলি বিশ্বৰ নবীন বুকুত
 সুৰত মিলাই সুৰ
গাম আই, গাম, তোমাৰেই গীত—
 ভকতি-তন্দ্ৰাতুৰ !

যিজনে তোমাৰ গোৱা নাই গীত,
যি বিশ্বে নাজানে তোমাৰ সঙ্গীত,
ভকতি-বিভোৰ কৰিহে তোমাৰ
 ভৰিত কৰিম দান।
জগত-সভাত কৰিম প্ৰচাৰ
 তোমাৰ গৌৰৱ-গান।

দেখাম প্ৰমাণ—গোটেই বিশ্বত
 তোমাৰ গৌৰৱ ৰাজে,
দেখাম প্ৰমাণ—ভকতিৰে স'তে
 জগতে তোমাক পূজে।

বুজোক জগতে মহিমা অপাৰ,
দেখোক মধুৰ মূৰতি তোমাৰ,
জানোক কেনেনো তোমাৰ সন্তান,
কিবা নো তোমাৰ দান ।—
জগত-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ-গান ।

দেখোক জগতে ভৰিত তোমাৰ
কতনা সৰগ আছে,
তোমাৰ শান্ত নীল আঁচলত
কতনা শান্তি ৰাজে !

তোমাৰ প্ৰাণত—তোমাৰ চুমাত,
তোমাৰ হাঁহিত—আনন্দ-কথাত
কত মউ সৰে—জানোক জগতে
হে আই, তোমাৰ মান ।
জগত-সভাত কৰিম প্ৰচাৰ
তোমাৰ গৌৰৱ-গান ।

# সাধক

সমস্ত জগতো যদি অন্ধতাৰ জয়ধ্বজা তুলি
অতুল অমৰ তৱ শকতিক কৰে অপমান,
দুৰন্ত পাপৰ শক্তি অকস্মাৎ যদি উঠি জ্বলি
ধৰমৰ বিশ্বখনি নাশিবলে' হয় আগুৱান ;—
মই যেন জ্বলি উঠো তেতিয়াই উল্লাস-অধীৰ
সৰ্ব্বশক্তি ল'ই মোৰ, ল'ই প্ৰাণ, ল'ই এই মন,
ধ্বংস কৰি যত দৰ্প, অত্যাচাৰ দুৰন্ত শক্তিৰ
পাৰো যেন জগতত ধৰ্ম্মৰাজ্য কৰিব স্থাপন।
হেৰা মই অহা নাই জগতত প্ৰাণহীন হ'ই
আছে দৰ্প, আছে শক্তি, আছে বীৰ্য্য, আছে মোৰ প্ৰাণ
নাই মই অহা নাই নীচ মন, ক্ষুদ্ৰ হিয়া ল'ই
উদাৰ গভীৰ প্ৰেম আছে তৱ কৰুণাৰ দান।
—সেয়ে মোৰ সৰবস্ব। ল'ই এই সৰবস্ব ধন
যি বিশ্ব ৰচিম মই—অতুলন, সিযে অতুলন!

# জীৱন-সঙ্গীত

তুমি মোক দিছা শক্তি বীৰত্ব অতুল,
মই হ'ম চিৰবীৰ, চিৰমুক্ত প্ৰাণ—
দুৰন্ত পাপৰ শক্তি কৰিম নিৰ্ম্মূল,
আনন্দ-উল্লাসে গাম বিজয়ৰ গান।
তুমি মোক দিছা প্ৰেম, চেনেহ অপাৰ,
মই হ'ম জগতৰ চেনেহী জননী;
নিতউ চকুলো টোকে, কৰে হাঁহাকাৰ—
ঢালিম অমিয়া শান্তি দিৱস-ৰজনী।
তুমি মোক দিছা কত সৰল বিমল
মধুৰ শান্তিৰ হাঁহি আনন্দৰ দান,—
মই হ'ম চিৰশিশু কিশোৰ-কোমল,
নাচি-হাঁহি সকলোৰে নচুৱাম প্ৰাণ।
তুমি যত দিবা মোক, তোমাকে ধিয়াই
ল'ম প্ৰভু সকলোৰে হৃদয়ত ঠাই!

# মুক্তি-প্ৰয়াসী

যি ক্ষুদ্ৰ কুটীৰখনি সাজিছোঁহি কতনা যতনে
কত আশা কৰি মই এখন্তেক বিশ্ৰাম-কাৰণে,
ৰুইছোঁহি ফুলগছ হেঁপাহেৰে কত অগণন
অতুল সৌন্দৰ্য্য, গোন্ধ, ভোমোৰাৰ আকুল গুঞ্জন,
ফুলে নচা হালজুলি ৰলিয়া বসন্ত পবনৰ,
পিওঁ বুলি প্ৰাণভৰি। হেৰা মোৰ দেৱতা প্ৰাণৰ,
কৰা কৰা ধ্বংস তুমি সুকঠোৰ ৰুদ্ৰৰূপে সাজি
কুটীৰ-ফুলনি মোৰ, কৰা কৰা মুক্ত মোক আজি
প্ৰাণৰ আকুল আশা আৰু য'ত বান্ধোনৰ পৰা
নকৰি সঙ্কীৰ্ণ মোক জীৱন্ততে যেন আধামৰা!
কৰা মোক মুক্ত প্ৰভু, কৰা পুণ্য অসীম উদাৰ,
পথৰ পথিক কৰাই নিখিল বিশ্বত তোমাৰ।
দুৱাৰে দুৱাৰে ঘূৰি—আছো যি বসৰ কাৰণত,—
পিয়লা ভৰাই তাকে সকলোৰে ধৰিম আগত।

# বাসনা

নোহো মই স্বাৰ্থপৰ। তোমালোকে উচ্চকণ্ঠ তুলি
প্ৰচাৰিব পাৰা মোক জগতত স্বাৰ্থপৰ বুলি,
নকৰিম প্ৰতিবাদ। তোমালোক মোৰ ভাই-ভনী,
কঠোৰ সাধনা, শিক্ষা য'ত মোৰ দিৱস-ৰজনী,
নহয় কেৱল মোৰ জীৱনৰ সুখৰ কাৰণে।
ক'ব পাৰো দীপ্ত কণ্ঠে, ক'ব পাৰো অসঙ্কোচ প্ৰাণে—
তোমাসাৰ কাৰণেও। নকৰা যদিও পতিয়ন,
নাই মোৰ ক্ষতি নাই, নোহে নোহে ক্ষুব্ধ মোৰ মন।
সাধিছো লভিছো যিবা, হয় যদি সেয়েই অমৃত
বিলাম সবাকে মই, শুনামহি তাৰেই সঙ্গীত।
মই জানো, মোৰ শিক্ষা, মোৰ জ্ঞান, মোৰ এই প্ৰাণ
নহয় ল'বৰ বাবে—বিলাবৰ, কৰিবৰ দান।
মূৰ পাতি লম য'ত অসম্মান বিপদ-কঠোৰ,
সকলোৰে মুক্তি হ'ক,—ইয়ে মোৰ আকাঙ্ক্ষা প্ৰাণৰ।

# যাত্ৰী

আছে আছে আৰু বহুদূৰ—
সম্মুখত যাব লগা দীঘলীয়া পথ।
ভাগৰিছে প্ৰাণ মোৰ—পিয়াহ-আতুৰ—
অৱসাদ এতিয়াই নামিছে প্ৰাণত।
দুগালত বাগৰিছে দুচকুৰ চকুলো দধাৰি,
হিয়াত নিৰাশাগীতি নীৰৱেই উঠিছে জোঁকাৰি।

হাঁহিমুখে ঊষা পুণ্যপ্ৰাণা
নীৰৱে দুৱাৰ মেলি পূব আকাশৰ,
জগতত বিলাইছিল কিৰণ-চেতনা;—
অন্ধকাৰ হ'ইছিল নীৰৱে আঁতৰ।
ফুলিছিল ফুলনিত অগণন কত গোন্ধফুল,
মলয়াৰ কত গান কৰি ফুৰা পৰাণ আকুল!

তেতিয়াৰে পৰাই অকলে
আহি আছো ধৰি এই বহুদূৰ বাট।
সেই স্নিগ্ধ সুমধুৰ পুৱাতেই হ'লে
উলাহ উছাহ আশা আছিল হিয়াত।—
খেলিছিল হৃদয়ত আনন্দৰ নীৰৱ-সঙ্গীত,
প্ৰেম-প্ৰাণ বসন্তৰ কত প্ৰেম আশাৰ অতীত।

কোনে বাৰু জানিছিল আগে'
হায় এই জীৱনৰ বহুদূৰ বাট—
ভৰা আছে অগণন ভীষণ কণ্টকে,
প্ৰতিখোজে বাধা-বিঘ্ন আছে অসংখ্যাত!
খোজেপতি অত্যাচাৰ, অপমান, কৰুন-ৰোদন,
কোমল কৰুণগীতি, নিৰাশ্বাস, নিৰাশা-কাৰণ!

তথাপিও আহিছো এৰাই
কণ্টকেৰে ভৰা এই বাট বহুদূৰ,—
বীৰ্য্য-গৰ্ব্বে ডুভৰিৰে থ'ই আঁতৰাই,
হেয় কৰি অপমান, বিপদ-নিঠুৰ!
আহিছোহি তুচ্ছ কৰি বিলাসৰ মনোমোহা খেলা,
কুহকী পাপৰ সেই অতুলন নৃত্য-গীতি লীলা!

কতনা কণ্টক মোৰ গাত
সোমাইছে হায় কিবা কৰুণ কঠোৰ!
কেতিয়াবা অকস্মাৎ লাগিছে হিয়াত
ভীষণ আঘাত, সম ইন্দ্ৰৰ বজ্ৰৰ!
হৃদয়ৰ কত তেজ নীৰবেই চুমিছে ধৰণী
আস্ফুট যন্ত্ৰণা-গীতি বাজিছে, বাজিব ৰিণি-ৰিণি!

পূৰ্ব্বৰ সি নবীন তপণ
আলোকৰাশিৰ স'তে পশ্চিমাকাশত ।—
উলাহ-হেৰোৱা মোৰ খন্তেকী জীৱন,
গন্তব্য মোৰো যে অতি দূৰ দূৰান্ত'ত ।
সময় তাকৰ অতি, এতিয়াই নামিব গোধূলি,
বাট মোৰ বহুদূৰ, দুভৰিত শ্ৰান্তিৰ শিকলি ।

বাট যদি আছে বহুদূৰ,—
কিয় মই শ্ৰান্তিত কাতৰ !
উলাহ উছাহ ল'ম । কৰিমহি চূৰ
ভৰিৰ আঘাতে এই শিকলি কঠোৰ !
গাই যাম আনন্দৰ, বিজয়ৰ, প্ৰেমৰ সঙ্গীত,
গন্তব্য ঠাইতে মোৰ গ'ই গ'ই হ'ম উপনীত ।

# আৱাহন

আহাঁ তুমি উতলা যৌবন,
আজি মোৰ মিনতি-গীতত,
দিনপতি দিয়ে যেনে দেখা
বিশ্বগীতে ৰাতিৰ শেষত ;
ল'ই আহাঁ সৌন্দৰ্য্য কল্পনা
ধৈৰ্য্য সাহ বীৰত্ব অপাৰ,
লক্ষ্যশক্তি স্থিৰ সমুজ্জ্বল,
দীপ্ত আশা তোমাৰ হিয়াৰ ;
এই মোৰ কোমল প্ৰাণক
আজি তুমি দিয়া আলিঙ্গন,
হিয়াভৰা প্ৰেমত তোমাৰ
দিয়া মোক নবীন জীৱন ।

জগতত ধৰম-পাপৰ
নিতে ঘটা সমৰ ভীষণ,
বিশ্বঘৃণ্য পাপৰ দৰ্পত
ধৰমৰ করুণ ৰোদন,—
নোৱাৰো সহিব আজি আৰু,
কান্দিবৰো নহয় সময় ;
প্ৰতিকাৰ—প্ৰতিকাৰ লাগে,
দুগালত চকুলো নবয়।
লাঞ্ছিতা দ্ৰৌপদী-ধৰা আজি
কত পাপ-কীচক পদত ;
কৰিমহি প্ৰতিকাৰ তাৰ,
হ'ম ভীম, ভীম-বীৰত্বত।

দিয়াহি বীৰত্ব অতুলন,
দিয়া ধৈৰ্য্য, শকতি অপাৰ,
বিজয়ৰ সঙ্গীত শিকোৱা,
দিয়া অস্ত্ৰ যতনা তোমাৰ।
ভাবাকুল স্বপ্ন ল'ই যদি
আহে কামে ফুলবাণ ল'ই,

ঘূৰক ঘূৰক মোৰ পৰা—
ধ্যানযোগী মহেশ্বৰ মই।
নিষ্কাম প্রেমৰ বোজা ল'ই
আহক দধীচি পুণ্য-প্রাণ,
মউ-সোঁত বোৱাম প্রেমৰ,
—বিশ্বক আত্মবলিদান।

ভাবাকুল সপোন-ৰচিত
এই মোৰ কিশোৰ-জীৱন,
ফুটো ফুটো নীৰৱ-প্রতিভা—
আধাফুলা পদুমৰ সম।
আহাঁ তুমি যৌবন-নিয়ৰ,
আজি তুমি আগত-হিয়াত,
ফুটোকহি সুগোন্ধ-প্রতিভা—
য'ত মোৰ, তোমাৰে চুমাত।

# পদুম-কলি।

সপোনত দেখিলো এবেলি,—
পুখুৰীৰ নীৰল কোণত
আছিল যি পদুমৰ কলি,
সহি যেন কাৰোবাৰ অনাদৰ-কঠোৰ আঘাত
আছিলহি কাৰ অপেক্ষাত !
ভোমোৰাই একো তাৰ সৌৰভৰ নেজানে বাতৰি
গুণগান নেগায় গুঞ্জৰি !
পুৰবী মলয়ে অকস্মাৎ
ৰটি দিলে অৰুণৰ আগমনী সুখৰ সংবাদ !—
পদুমা উঠিল হাঁহি
নন্দনৰ বিলালে সৌৰভ,
গুঞ্জৰি উঠিল কত চাৰি'ফালে শত ভোমোৰাই—
"তুমিয়েহে সবাৰে গৌৰব।"

অকস্মাৎ ভাগিল টোপনি
সুখৰ সপোনে দিলে এৰা,
কোনে যেন ক'ই গ'ল
তন্দ্ৰাবেশে শুনিলো মাথোন—
"পুখুৰীৰ পদুমৰ কলি
তুমিয়েই—তুমিয়েই হেৰা।"

নিজে মই মানিলো বিস্ময়,
ইকি মোৰ সত্য পৰিচয় ?
ময়ো কি উঠিম ফুলি সপোনৰ পদুমৰ দৰে
দিম নেকি সৌৰভ বিলাই ?
জীৱন সাৰ্থক মানি গুঞ্জৰিব শত ভোমোৰাই ?

আহাঁ তেনে, হে মোৰ দেৱতা,
ৰলো তৱ অধীৰ আশাত,—
উঠিম উঠিম ফুলি, সৌৰভৰ মাধুৰী বিলাম
তোমাৰেই মৰম-চুমাত !

# প্ৰতিদান ।

নাজানো নাজানো প্ৰিয়, কিয় তুমি ৰাতিদিন
মোৰ মুখলৈ
চাই থাকা কিনো কাম, কিহৰ আশাত বাৰু
খন্তেকো নৰ'ই !
অধীৰ বাসনা আৰু আকুল মিনতি মোৰ,
—নীৰৱ আহ্বান,
মঙ্গল কামনা কত, নীৰৱ কল্পনা যত,
বাণীহীন গান ;
কিয় দিলা, কিয় দিলা, কিয় মোক দিলা প্ৰিয়,
হৃদয়ত মোৰ ?
—ৰাতিদিন গায় গান, নিৰন্তৰ কৰে মোক
আকুল বিভোৰ !

দিলা শ্ৰেষ্ঠ উপহাৰ, দিলা পুণ্য-আশীৰ্ব্বাদ,
কৰিলা সম্মান,
কিনো আছে, কিনো দিম ?—লোৱা মোৰে হিয়াখনি,
—ক্ষুদ্ৰ প্ৰতিদান !

তুমি মোক দিলা প্ৰেম, তুমি মোক দিলা প্ৰীতি,
নীৰৱ সাধনা,
নিজানত নীৰৱেই অকলে অকলে বহি
সত্য আৰাধনা,
সৰগৰ সৰলতা, মধুৰতা সপোনৰ,
ছবি বিশ্বাসৰ,
একতাৰ, প্ৰিয়তম বন্ধুৰ বাতৰি কত,—
দীপ্তি অৰুণৰ।
তাপিত প্ৰাণত মোৰ ঢালিলা অমিয়া শান্তি,
ভাব সুবিমল,
প্ৰাণৰ বিলত মোৰ গোন্ধত আমোলমোল
ফুলিল কমল !
সমস্ত জগতখনি মোৰেই আপোন কৰি
তোমাকেই দাও

কৰিম কৰিম প্ৰিয়, অতি ক্ষুদ্ৰ প্ৰাণ মোৰ,—
—ক্ষুদ্ৰ প্ৰতিদান !

কতনা কৰুণা কৰি দিলা মোক বীণখনি
সঙ্গীত-আকুল,
নিৰ্ম্মল ভাবৰ সোঁত নিতে বোৱা অন্তহীন
প্ৰেম-বিয়াকুল ;
প্ৰেম-প্ৰাণ বসন্তৰ কত অশ্ৰু, কত হাঁহি,
গীত সুমধুৰ
হিয়াৰে নতুন আৰু যত সাহংগী তান—
তোমাৰেই সুৰ ;—
বিচিত্ৰ সঙ্গীত গায় দিনেৰাতি অন্তহীন
হৃদয়তে মোৰ,
নোৱাৰো ভাষাৰে ক'ব, সমস্ত পৰাণ কেনে
আনন্দ বিভোৰ !
মোৰ এই হাঁহি-অশ্ৰু, মোৰ এই ভাবৰাশি,
মোৰ যত গান,
যতনা সম্বল আজি লোৱা লোৱা প্ৰিয় মোৰ,—
—ক্ষুদ্ৰ প্ৰতিদান।

# তোমাৰে

নন্দন-সৌৰভ আনি বিমোহিনী বেশে
মুখত মধুৰ হাঁহি,—এলাহ-আবেশে
যেন্নে মেলো কল্পনাৰ সাগৰ দুৱাৰ—
সুন্দৰী আশাই কয় আনন্দে অপাৰ
নিতউ কাণত মোৰ ;—"উন্নতি-শিৰত
দশোদিশ পোহৰাই পুণ্য-গৌৰৱত
ৰ'ইছে তোমাৰ বাবে স্বৰ্ণ-সিংহাসন।
উছাহ বীৰত্ব ল'তে ভৰি হিয়াখন
নিৰ্ভয়ে সদৰ্পে তুমি যোৱা যোৱা লৰি,
অধিকাৰ কৰা বন্ধু !" উচ্চ শব্দ কৰি
কয় মোৰ প্ৰাণ নিতে গৰ্ব্বিত নিৰ্ভয়,—
"কাৰ সাধ্য সিংহাসন মোৰ আগে লয় ?"
শত যত্নে পাওঁ যদি গৌৰৱ-আসন,
সি গৌৰৱ, দয়াময়, তোমাৰে মাথোন।

PLEASE HANDLE THE BOOK CAREFULLY

## সত্য

মোৰ লক্ষ্য তুমি। যদি আজি কোনোবাই
মোহন মধুৰ বেশে মোৰ লক্ষ্য হায়
নষ্ট কৰে, দিয়ে দুখ মোৰেই হিয়াত, --
পলাব লাগিব মোৰ সহি পদাঘাত
যদি কোনোবাই কৰি বীৰ্য্য অহঙ্কাৰ
কৰে তব অপমান, হে বিশ্ব-আধাৰ,
জানো মই, তুমি থাকোঁ। হাঁহিলা নীৰৱে।
কিন্তু মই নসহিম, প্ৰভু, উচ্চস্বৰে—
সৰ্ব্বশক্তি লই মোৰ গৰ্ব্বিত নিৰ্ভয়--
পৰাজিম তাক মই নিশ্চয় নিশ্চয়।
সম্পদ বিপদ মাজে এই সংসাৰৰ—
তুমি মোৰ, তুমি মোৰ, তুমি প্ৰভু মোৰ!
অসত্য—ই সংসাৰত আছেহি যিখিনি ;
নিখিল বিশ্বত সত্য—মই আৰু তুমি।

# আত্ম-সম্মান

শক্তিহীন ব'ম মই বাটতেই পৰি
সসীম জগত যাব মোৰ আগে' লৰি
সৰ্ব্বশক্তি লই তাৰ গৰ্ব্বিত নিৰ্ভয়
মোৰ গাৰ ওপৰেদি ? মোৰ ই হৃদয়
ইমান দুৰ্ব্বল জানো ?—
যাব লাগে, তেনে
যাম প্ৰভু, যাম মই আনন্দিত মনে
ধৰি ই দীঘল বাট,—হৃদয়ত মোৰ
দিয়া বীৰ্য্য, দিয়া শক্তি ;— আজি সুকঠোৰ
শৈল সম, বজ্ৰসম গঢ়িম পৰাণ ।
শত মৃত্যু, শত বাধা, শত বাক্যবাণ,
শোক-দুখ, অপমান, অৱসাদ আদি
বাটৰ মাজত থাকি আগভেটে যদি,
ইঙ্গিততে চূৰ্ণ কৰি যাম মোৰ বাট ।—
অনন্ত অক্ষয় প্ৰভু, তব আশীৰ্ব্বাদ ।

# আকাঙ্ক্ষা

হ'ক প্ৰভু, হ'ক মোৰ সত্যই ভূষণ,
স্বাধীনতা হ'ক মোৰ লক্ষণীয় ধন ;
বওক প্ৰাণত শৌৰ্য্য অদম্য বেগত,
থাকোক ই শিৰ মোৰ চিৰ বীৰ্য্যোন্নত ;
হ'ক মোৰ ই হৃদয় ইন্দ্ৰ-বজ্ৰসম,
হ'ক ই দুখনি বাহু অজেয় উদ্যম ;
আহক সহস্ৰ শত্ৰু পাপ-অত্যাচাৰ
আনন্দে বীৰত্ব সতে কৰিম সংহাৰ।
চিৰমুক্ত ই বিশ্বৰ বন্ধু শিশু হ'ম,
নামানিম বশ কাৰো কাপুৰুষ সম।
হ'ম মই চিৰবীৰ, চিৰমুক্ত প্ৰাণ—
গাম আনন্দৰ স'তে চিৰ জয় গান।
সৰ্ব্বশক্তি লই মোৰ গৰ্ব্বিত নিৰ্ভয়—
আনন্দে কৰিম প্ৰভু, বিশ্বদিগ্বিজয়।

# সাধনা

কি কঠোৰ নিকৰুণ ই জগতখনি
সীমাহীন মৰুভূমি প্ৰায় ;
মৰীচিকা-মুগ্ধ হ'ই তাপিত প্ৰাণেৰে
বিশ্ববাসী কৰে হায় হায় !—

কি কৰুণ হাঁহাঁকাৰ তাপিত প্ৰাণৰ
এই মৰু-জগতবাসীৰ !—
"ক'তা শান্তি, ক'তা প্ৰেম, ছঁয়া জুৰ কৰা,
ক'তা হায় সুশীতল নীৰ !"

কতনা কান্দিছে মোৰ জকণি পৰাণ
জগতৰ এই দয়া চাই,
বলিছে চকুলো-সোঁত ভুচকুৰ পৰা,
নিতে প্ৰাণ কৰে হায় হায় !—

সাধিছো কতনা মোৰ অকণি হিয়াৰ
নিৰমল এই প্ৰেমনীৰ
কৰিব—ডাৱৰ সম ঢালি বৰষুণ
প্ৰাণ শান্ত জগতবাসীৰ ।—

সাধিছো কতনা মই এই জগতত
অকলই হ'ই আগুৱান—
আনন্দে উলাহ স'তে গাম বিভুগীত
হেয় কৰি মান-অপমান ।

তাপিতৰ, দুখীয়াৰ, পৰৰ সেৱাতে
উছৰ্গিম মোৰ ই জীৱন ;
—সাধনাত সিদ্ধি লভি আনন্দৰ স'তে
লভিমহি স্বৰ্গীয় মৰণ ।

কিন্তু হায় ক'ৰ পৰা মাজে মাজে আহি
ক'ৰবাৰ পাপ-বাসনাই
ঘটায় বিঘিনি মোৰ শুভ-সাধনাত,
দেখা আহি দিয়ে নিৰাশাই ।

ঘৃণ্য পাপ, দুৰ্ব্বলতা, হ' হ' দূৰ
নাই মোত তইঁতৰ ঠাই ;
নিৰাশা, আঁতৰ হ', যা' দূৰান্ত'ত—
নঘটাবি শতেক অপায় !

হে ডাৱৰ, নোৱাৰিব বৰষুণে তোৰ
জগতক কৰিব শীতল,
নোৱাৰিব অকণিও মৰু-জগতত
ওপজাব কোনো ফুল-ফল !

সীমাহীন হে সাগৰ, দেৱতা বৰুণ,
আহাঁ আজি মোৰ পৰাণত ;
ফুলাম সুগোন্ধ ফুল, ফল সুমধুৰ—
আনন্দেৰে তিয়াই জগত !

অকণি হিয়াত আছে প্ৰেম সুগভীৰ
আৰু প্ৰেম দিয়া প্ৰেমেশ্বৰ !
শিকোৱা প্ৰেমৰ গীত, দিয়া আনন্দেৰে
সঞ্জীৱনী সুধা সৰগৰ !

ই জগতখনি মোৰ, পৰাণৰ যত বিশ্ববাসী,
জগতৰ যত দুখ মোৰ ;
গুচাম সকলো দুখ, অন্তহীন নিৰ্মল সোঁত
বোৱামহি অমিয় প্ৰেমৰ।

যতনেৰে সেৱা কৰি বিশ্বমানৱৰ
লভিমহি স্বৰ্গীয় মৰণ ;
হ'ব হ'ব পূৰ হ'ব প্ৰাণৰ সাধনা—
হ'ব মোৰ সাৰ্থক জীৱন।

# জীৱন

প্ৰভাত যেতিয়া বিশ্বে লভিলে চেতনা
আনন্দ গীতত
আহিলো যেতিয়া মই অকলে অকলে
সুন্দৰ বিশ্বত।
ই সুন্দৰ জগতৰ
আছে প্ৰাণী যতবোৰ,—
দীঘলীয়া দিন আজি
হ'ল পৰিচয় ;
আকউ যামনে গুচি শান্ত সন্ধিয়াত ?—
নহয় নহয় !

হে তাৰ্কিক, দাৰ্শনিক, হেৰা ধৰ্ম্মবীৰ,
মৃত্যুবাদী জন,
নক'বা নক'বা, "মিছা জীৱন আমাৰ,
সংসাৰ সপোন।"

এই বিশ্ব স্বৰ্গ প্ৰায়,
খন্তেকী' নহয় হায়
যাৰে স'তে আজি মোৰ
হ'ল পৰিচয় ;
সংসাৰ সপোন আৰু প্ৰাণ খন্তেকীয়া
নহয় নহয়।

ঈশ্বৰৰ অংশ আমি, নহওঁ নহওঁ
মৃত্যুৰ অধীন,
ভয়-শোক-মৃত্যুহীন আমাৰ জীৱন,—
বিমুক্ত স্বাধীন।
বীৰত্ব আমাৰ ধন,
সত্যত আমাৰ মন,
ধৰমত লওঁ আমি
নিতউ আশ্ৰয় ;
আমাৰ অধীন মৃত্যু, প্ৰভু কেতিয়াও
নহয় নহয়।

চকুলো টুকিছা কিয় নীৰৱে নীৰলে,
মৃত্যুৰ ভয়ত ?
বিষাদ-ভাৰৰে তৱ ঢাকিছে মু'খনি
কিয় অৱাবত ?
চিন্তা নাই ভয় নাই।
তুমি যে অমৰ ভাই
অনন্ত তোমাৰ নাহ,
ভয় কৰা জয় ;
তোমাৰ অধীন মৃত্যু, প্রভু কেতিয়াও
নহয় নহয়।

মোহাৰা চকুলো, কৰা হিয়াখনি ডাঠ,
উলাহেৰে ভয় কৰা জয় ;
মৰণৰ ভয় যাৰ প্রাণৰ সম্বল
শতবাৰ মৃত্যু তাৰে হয়।

নাই নাই একো নাই
মৃত্যুৰ শকতি নাই
সংসাৰ সপোন কৰে,
আমাক অধীন ;
ভয়-শোক-মৃত্যুহীন আমাৰ জীৱন
বিমুক্ত স্বাধীন ।

# উপেক্ষা

হোৱা নাই, হোৱা নাই এতিয়াও মোৰ
জীৱনৰ কাৰ্য্য অৱসান,—
অনুপম প্ৰেম-বাঞ্ছা, আকাঙ্ক্ষা, সাধনা
এতিয়াও ভৰি আছে প্ৰাণ।

মিলন-বাসনা ল'ই বৰবেশ ধৰি
কিয় তুমি আহিছা মৰণ,
আকাঙ্ক্ষা নহব পূৰ্ণ, যোৱা তুমি ঘূৰি --
ফলহীন তোমাৰ সাধন

ভহাম, প্ৰতিজ্ঞা মোৰ, ই জগতখনি
মোৰ এই প্ৰেম-সাগৰত,
ঢালিম অমিয়া শান্তি, আনন্দ বিমল
জগতৰ উতপ্ত প্ৰাণত।

সন্নিয়াত হ'লে মোৰ কাৰ্য্য অৱসান
মিলি যাম আপোন ইচ্ছাত
প্ৰেমৰ ৰাজ্যতে মোৰ, কি সাধ্য তোমাৰ
হাত দিবা মোৰ এই গাত ?

# প্ৰতিদ্বন্দ্বী

তুচ্ছ তোৰ বাহুবল, তুচ্ছ তোৰ তীক্ষ্ণধাৰ অসি
মদমত্ত শত্ৰু মোৰ, অতি তুচ্ছ তোৰ সৰ্ব্বনাশী
জ্বলন্ত ক্ৰোধৰ অগ্নি, তুচ্ছ তোৰ বীৰ্য্য-অহঙ্কাৰ !
দীপ্তকণ্ঠে তথাপিও বীৰ্য্য-গৰ্ব্বে ক'ম বাৰে বাৰ
অটল গম্ভীৰ ভাৱে থিয় ৰ'ই তোৰেই আগত,—
"সত্যৰ সেৱক মই, সত্য-জ্যোতি মোৰেই প্ৰাণত ;
মই চিৰ-মহাবীৰ, বীৰ্য্য মোৰ অতুল অসীম,
সংযম-সাধক মই জগতত তুলনা-বিহীন।
মোৰ প্ৰতি হাঁহি-অশ্ৰু, মোৰ প্ৰতি জীৱনৰ দান
দীপ্তকণ্ঠে গায় নিতে অসীমৰ আনন্দৰ গান।
বিশ্বৰ সেৱক মই, বিশ্বপ্ৰেম মোৰেই হিয়াত,
বিশ্ব মোৰ, বিশ্বে মোক নিৰন্তৰ কৰে আশীৰ্ব্বাদ ;
হে ভীষণ শত্ৰু, মোৰ উচ্চশিৰ, নিৰ্ভীক পৰাণ,
মই তোৰ প্ৰতিদ্বন্দ্বী,—অমৃতৰ পৰম সন্তান !

# দান

যাৰ আদেশত এই জগতত
আহিছা তুমি হে প্ৰাণ,
ভকতিৰে স'তে গোৱা নিতে তুমি
গোৱা তাৰ জয়গান ।

শান্ত উদাৰ নবীন বিশ্বত
তোমাৰ মঙ্গল প্ৰভাতী ব্ৰতত
আহৰি তোমাৰ হিয়া-ফুলনিৰ
দিয়া ভক্তিফুল দান,—
যাৰ আদেশত এই জগতত
আহিছা তুমি হে প্ৰাণ ।

সন্ধিয়া যেতিয়া আহিব লাহেকৈ,
দিনৰ পৰিব ওৰ,
জগত হবহি নীৰব গহীন,
হবহি এন্ধাৰ ঘোৰ ।—

তেতিয়া যেন প্ৰবীন বিশ্বক
এৰি যাব পাৰা এৰি দুখশোক,
এই জগতৰ কৰম-বাতৰি
অৰ্ঘ্য কৰিব দান,—
যাৰ আদেশত এই জগতত
আহিছা তুমি হে প্ৰাণ।

ত্ৰি, ব,

# নিবেদন

মই খোজো জগতত তৰুণ কবিৰ কীৰ্ত্তন,
তোমাৰ বিজয়ধ্বজা খোজো মই কৰিব বহন,
কৰা মোক সেনাপতি। উৎসাহ আনন্দে যেন, জয়
গৌৰৱ ৰাখিব পাৰো, দিয়া মোক শক্তি অন্তৰৰ
আজি এই শুভক্ষণে। প্ৰভু, মোৰ জীৱন-আধাৰ,
জ্বলোৱা জ্বলোৱা মোক কৃপা কৰি অগ্নিত তোমাৰ,
ধন্য কৰা, পুণ্য কৰা, কৰা মোক পৱিত্ৰ মধুৰ।
তোমাৰ আনন্দে মোৰ হিয়াখনি হ'ক ভৰপূৰ।
মৃত্যু আহি ঘূৰি ঘূৰি য'ক এই জগতৰ পৰা
আমাৰে শক্তিত প্ৰভু, ল'ই যেন তাৰ প্ৰাণভৰা
বিফল গৰ্জ্জন আৰু প্ৰাণহীন উন্মাদ বিক্ৰম।
নীৰৱে হাঁহিম আমি,——হৃদয়ত শান্তি নিৰুপম।
তুমি মোৰ গুৰু, প্ৰভু, জগতৰ তুমি অধিপতি,
নিখিল জগত তৱ, মই তৱ গৰ্ব্বী সেনাপতি।

# জাতীয় সঙ্গীত

জনম ভূমি, জননী আমাৰ,
তুমি যে স্বৰ্গ, তুমি যে আমাৰ,
তুমি যে আমাৰ, আমাৰ প্ৰাণ।
কৰিম জননী, তোমাৰ কাৰণে
কৰিম আমাৰ জীৱন দান।

তোমাৰ সন্তান—আমি যে ধন্য,
পূজিম তোমাক—আমাৰ পুণ্য,
আমি তো জননী তোমাৰে দান।
কৰিম জননী, তোমাৰ কাৰণে
কৰিম আমাৰ জীৱন দান।

নহওঁ নহওঁ আমিতো দীন,
নহওঁ নহওঁ আমিতো হীন,
আমি তো জননী তোমাৰে প্ৰাণ।
কৰিম জননী, তোমাৰ কাৰণে
কৰিম আমাৰ জীৱন দান।

আছে আছে সাহ বুৎত অপাৰ.
গৌৰৱত শিৰ উন্নত আমাৰ,
বীৰ্য্যত আমাৰ গঠিত প্ৰাণ
কৰিম জননী, তোমাৰ কাৰণে
কৰিম আমাৰ জীৱন দান।

বীৰত্ব আমাৰ জাতীয় গৌৰৱ,
আত্মসম্মান আমাৰ বিভৱ,
সত্য আমাৰ জাতীয় প্ৰাণ।
কৰিম জননী, তোমাৰ কাৰণে
কৰিম আমাৰ জীৱন দান।

# কামিনী

কামিনী অ’

ক’ত তই এনে গুণ পালি,

ক’ৰ পৰা এনে শিক্ষা পালি ?

কিমান যে ফুল আছে মোৰ এই ফুলনিতে

কিমান যে ফুলে ফুলকলি,

কতনা প্ৰশংসা কৰি মউপিয়া উৰি আহি

গীত গায় পৰাণ আকুলি !

তই দেখোঁ নুফুল অ’ সিসৰ ফুলৰ দৰে

গপত ওফন্দি উঠি ৰ’ই,

তই দেখোঁ নোখোজ অ’ প্ৰশংসাৰ গীত একো,

— লাজতহে তলমূৰ হই !

যেতিয়া এন্ধাৰ ৰাতি গাবলে' প্ৰশংসা, কোনো
নেথাকে অ' পৰাণ আকুলি,
তেতিয়া কামিনী অ' ফুলি সৰি যাৱ তই
গোন্ধৰেই সঁফুৰাটি মেলি।

পুৱাত উঠিয়ে জাগি তোৰেহে মহিমা বুজো,
বুজো তোৰ গৌৰৱ অ' ফুল,
তোৰেই নীৰৱ দানে কৰে অ' তোৰেই বাবে
মোৰ এই পৰাণ আকুল।

কামিনী অ'
ক'ত তই এনে গুণ পালি,
ক'ৰ পৰা এনে শিক্ষা পালি?
মোকো তাৰ ভাগ দে অ' মোকো তই শিক্ষা দে অ'
তোৰেই নিচিনা কৰ মোক,
নীৰৱে বিলাই গোন্ধ নীৰৱেই গুচি যাম,
—সাৰ পাই জগতে কান্দোক।

# সংসাৰ

'সংসাৰ নে ইয়ে হায় ?—সৰগ-সপোন,
কত হাঁহি, কত প্ৰেম, প্ৰণয় মিলন—
অতুলন সুখ আনি কোন সুদূৰৰ
দেখুৱাব খন্তেকলে' ক্লান্ত মানৱৰ
তন্দ্ৰাত মগন দুয়ো চকুৰ আগত ;
যেনেই ভাঙ্গিব তন্দ্ৰা কোনো কাৰণত
মেলামাত্ৰে দুয়ো চকু, দেখিব— তেনেই
আবাৰি ৰাখিছে তাৰ চাৰিও পিনেই
শোক-দুখ, ব্যৰ্থপ্ৰেম, বিষাদ-অগণি,
হিয়াভেদী হাঁহাকাৰ ?—ই কৰুণবাণী
সংসাৰৰ, শূন্যমন শূন্য পৰাণত
গাওঁতে গাওঁতে কোন সুদূৰ ৰাজ্যত
লাগে নেকি তেন্তে হায় হ'ব উপনীত,—
সংসাৰে গাবহি পুনু প্ৰতিধ্বনি-গীত ?

PLEASE HANDLE THE BOOK CAREFULLY

# মিনতি

আনন্দ-নোহোৱা জীৱনত মোৰ
বজোৱা আনন্দ-বাঁহী,
ফুলোৱা নিৰাশ হিয়া-পুখুৰীত
আশাৰ পদুম পাহি।

উছাহ-নোহোৱা হৃদয়ত মোৰ
দিয়া ঢালি আজি মউ উছাহৰ,
অন্ধ-চকুত দিয়াহি পোহৰ
দেখিম লক্ষ্য-হাঁহি।

মোৰেই হিয়াত লোৱা তুমি ঠাই
নালাগে থ'বহি দূৰ —
মোৰেই প্ৰাণৰ হোৱা প্ৰিয় তুমি
প্ৰেম-সঙ্গীতৰ সুৰ!

কৰুণাময়, কৰাহি কৰুণা,
ঢালাহি প্ৰাণত শান্তিৰ জ্যোছনা,—
শোক-বিননিৰ এই সংসাৰত
দিয়া নিৰমল হাঁহি ।

# আগমনী

শত জনমৰে প্ৰাণৰে আলহী
দুৱাৰ মুখত আজিহে আহিলে,
যুগে যুগে বহি চিৰ অপেক্ষাত
ভাবিছিলো মাথোঁ নাহিলে নাহিলে !

অকলে নিতউ কত শত বাৰ
গাঁথিছিলো মালা আশা-নিৰাশাৰ,
অকস্মাৎ শুনো পদধ্বনি কাৰ
অতি ওচৰতে বাজিলে বাজিলে !

শত জনমৰে প্ৰাণৰে সাধনা
আলহীয়ে আজি বুজিলে বুজিলে ।
হিয়াৰে আকুল গোপন বাসনা
আলহীয়ে আজি জানিলে জানিলে !

কিনো আছে মোৰ—আছো নো বা কেনে—
ভগা ই হিয়াৰ চকুলোৰ বিনে,
কিহেৰে পূজিম, বুলিম নো কেনে
মোৰেই বাতৰি নীৰলে সুধিলে !

# মিলন

কত যুগে যুগে জনমে জনমে
মিলিছো—আমি যে মিলিছো।
শত বাসনাৰে হিয়াখনি ভৰ
যাচিছো— মই যে যাচিছো।

আজি যা । কোন সাগৰৰে পাৰ
বিদায়-বাতৰি জনালা তোমাৰ,
নীৰৱে নীৰৱে চকুলো ধাৰ
মচিছো—মই যে মচিছো।

'যোৱা যোৱা তুমি' বুলিম কেনেকৈ
যাব ভো নোৱাৰা কদাপি,
তুমি আছা আছা জনমে জনমে
মোৰেই জগত বিয়াপি।

মই তৱ গীত গাম গাম গুণি গুণি
তৱ সিপাৰৰে গীত শুনি শুনি,
ভাবি ল'াম মই দিৱস-ৰজনী
লভিছো—তোমাক লভিছো ;

# সমৰ্পণ

কিয় তুমি দিলা প্ৰভু, সোঁত-বোৱা ই আকুল প্ৰেম
মোৰ এই অকণি হিয়াত ?—
গাই গাই কুলু-গীতি দিনেৰাতি বয় কোন পিনে—
ইযে হায় মোৰেই অজ্ঞাত।

মোৰ এই হৃদয়ৰ মউ-প্ৰেম-তটিনীৰ
কোনোৱেই নললেতো তুলি,—
দিনেৰাতি গোৱা গীতি নুশুনিলে আহি কোনোৱেই
হৃদয়ৰ দ্বাৰখনি মেলি।—

তেনেহলে কিয় প্ৰভু, উপেক্ষিতা প্ৰেমৰ তটিনী,
কিয় তাৰ আকুল সঙ্গীত ?—
তুমিয়ে' দিছিলা মোক—লোৱা প্ৰিয়, লোৱা পুনু আজি,
তোমাতেই হ'ল সমৰ্পিত !

# উদ্গণি

মোহাৰ মোহাৰ তোৰ দুচকুৰ চকুলো করুণ,
বন্ধ কৰ, বন্ধ কৰ এতিয়াই, হে পান্থ তৰুণ,
হিয়া ভৰা বিষাদৰ ক্ষীণসুৰে করুণ-সঙ্গীত !
মেল মেল চকু দুটি, কিবা ভয়, কিয় সঙ্কুচিত ?—
চা তোৰ সম্মুখতে কি উজ্জ্বল আশাৰ পোহৰ !
চা তোৰ ওচৰতে স্নিগ্ধ হাঁহি তোৰেই লক্ষ্যৰ,
—আনন্দৰ আৱাহন !

হেৰ পান্থ, কিয় অবাবত
দূৰ—বহুদূৰ দেখি বাট তোৰ, স্নিগ্ধ দুগালত
বোৱাই চকুলো-সোঁত, বাটৰ মাজতে পৰি ৰ'ই
গাইছ নিৰাশা-গীতি—কৰ্ত্তব্যক থ'ই দূৰলই ?
আহিছ অলপ মাথোঁ, বাট তোৰ আৰু বহুদূৰ—
তপত বালিৰে ভৰা মাজে মাজে বহু মৰুভূ'ৰ,—
কাঁইটীয়া গছে ভৰা কত শত পৰ্ব্বতৰ মাজে
যাবহি লাগিব হায় আনন্দে উৎসাহে বীৰসাজে ;
মাথোঁ গাছ শুই শুই !

হেৰ পান্থ, উঠ তই আজি
জোঁকাৰি আনন্দে গৰ্ব্বে, ছিন্নতন্ত্ৰী বীণামুখে বাজি
উঠক বীৰত্ব-গীতি অকস্মাৎ সুতীব্ৰ মধুৰ,—
উৎসাহে উছাহে তোৰ হিয়াখনি হ'ক ভৰপূৰ ;
নুভুল কৰ্ত্তব্য তোৰ !

তই নৰ, তই মহাবীৰ,
নোহোৱ দুৰ্ব্বল তই এলাহুত জুৰুলা শৰীৰ
হিয়াত জিলিকে আশা, পৰাণত উদ্যম বহুত,
বাহুত বীৰত্ব তোৰ, লক্ষ্যশক্তি তোৰেই চকুত ;
নোহোৱ দুৰ্ব্বল তই । তেন্তে তই উঠ উঠ আজি,
বাট তোৰ বহুদূৰ, যা তই বীৰ সাজে সাজি
—আছে সউ মালাহাতে হেৰ পান্থ, তোৰে বাট চাই
আনন্দে বিজয়লক্ষ্মী, তোৰেই হে গীত গাই গাই !

তোৰেই চকুলো-সোঁতে কৰিছেহি তোকেই অধীৰ,
তোৰেই চকুলো-সোঁতে উটাইছে তোৰেই শৰীৰ,
তোকেই কৰিছে অন্ধ ; চপাইছে নিৰাশা-কান্দোন
আকাঙ্ক্ষা-উদ্যম-ধৈৰ্য্য সকলোকে কৰি নিমগন !

চকুলো মোহাৰি উঠ, শুভক্ষণে জোঁকাৰি উঠক
প্ৰাণৰ আকাঙ্ক্ষা যত, সৱ ধৈৰ্য্য উদ্যম জাগক
বীৰত্ব-সঙ্গীত স'তে,—নৱৰূপে লভি ন প্ৰাণ—
হেৰ পান্থ, আজি তই নৱবলে হ বলীয়ান
সগৌৰৱে! কৰ্ম্মবীৰ—মহাবীৰ হৱহি বিশ্বৰ,
লভ তই নৱশক্তি - সম্মুখত কৰ্ত্তব্য কঠোৰ!

# লণ্ডা নদী

হেজাৰ হেজাৰ বছৰ গ'ইছে, হেজাৰ হেজাৰ লাগিছে যাব,
হেজাৰ হেজাৰ বছৰ যায়—বছৰ আছে গ'ই,
পুৰণি জগৎ, পুৰণি লীলা সকলো আজি সপোন হ'ল,
লণ্ডা নদী, তয়েহে আজিও অকলে আছ ৰই !

হেজাৰ হেজাৰ বছৰ আগৰ, লণ্ডা নদী, তোৰেই পাৰে পাৰে
কত গৰখীয়াৰ কতনা খেলা সাজি কত পঁজা,
কত প্ৰেমিকৰ আকুল গান, কত প্ৰেমিকাৰ স্নান-লীলা,
কতনা লৰাৰ মধুৰ হাঁহিৰে বালিৰ ঘৰ সজা ;—

সকলো গ'ল, সকলো গ'ল, সকলো আজি সপোন হ'ল,
কোনে নো জানে কেনিনো গ'ল, কাৰ নো কিনো হ'ল ?—
কালৰ হাত তুচ্ছ কৰি, ছিন্ন কৰি তয়েহে অকল ৰ'লি,
লণ্ডা নদী, তোৰেহে গান আজিল'কে ৰ'ল !

হেজাৰ হেজাৰ পিছত, লঙা নদী, তোৰেই পাৰে পাৰে
কত গৰখীয়াৰ আকুল প্ৰাণৰ আজিও বাঁহী বাজে,
কত প্ৰেমিকে আজিও গায়, কত প্ৰেমিকাই স্নান কৰে,
কতনা লৰাই আজিও ৰঙে বালিৰ ঘৰ সাজে !--

আমাৰ কথা, আজিৰ কথা সকলো হায় সপোন হ'ব,
কোনেনো জানে কেনিনো যাম, কাৰনো কিনো হ'ব ?—
কালৰ হাত তুচ্ছ কৰি, ছিন্ন কৰি তয়েহে অকল ৰ'বি,
লঙা নদী, তোৰেহে গান চিৰদিনলই ৰ'ব !

হেজাৰ হেজাৰ বছৰ আহিব,হেজাৰ হেজাৰ আহিয়ে আছে
হেজাৰ হেজাৰ বছৰ আহে—অহাৰ অন্ত নাই ;
কত গৰখীয়া' খেলিব আহি, কত প্ৰেমিকে গান গাব,—
খেলিব আহি কত প্ৰেমিকাই, কতনা লৰাই হায় !

লঙা নদী, লঙা নদী, অমৰ নদী, তয়েহে অকল ৰ'বি,
সিহঁতকে লই মনৰ সুখত খেলিবি খেলা, গাবিহি গান,
আমাৰ কথা, আজিৰ কথা ভাবিবি জানো তেতিয়া তই ?—
লঙা নদী, ভাবিয়ে হওঁ দুখত আকুল প্ৰাণ !

# ভুল

মোৰ বননিত সবাৰে আঁৰতে
আছিল যি ফুল ফুলি,—
আজি যে সাদৰে নিঘিণি একোকে
তুমিয়ে লইছা তুলি !

কত মউপিয়া আহি নেওচিব,
বলিয়া মলয়ে ঘিণতে হাঁহিব,—
সকলোৰে চকু এৰাই সেইহে
আঁৰতে আছিল ফুলি !—

কতনা দুখৰ বননিৰ ফুল
কি ল'ব জগতে তুলি
থাকোতে সদায় চিৰ আনন্দৰ
শত পাৰিজাত ফুলি !—

আজি হে জানিলো সিযে ভুল কত,
যত অপমান দুখ-লাজ যত—
পরশত তব উঠিলহি আজি
শত পারিজাত ফুলি !

# ভাগ্য

নিজমনে মই নাচি নাচি যাওঁ
নিজমনে মই কত গীত গাওঁ,
সৰগ-সপোন কৰোঁহি ৰচনা
আপোন মনে,—
নাজানো সাধনা, নামানো বাসনা,
পোৱা নাই কোনো পিয়াহ-যাতনা,
যশ-অপযশ নুশুনিলো মোৰ,
শুনে নো কোনে !

নিজে গাওঁ শুনো আনন্দৰ গান,
নিজে নিজে মোৰ মান অভিমান,
বিশ্বৰ অজ্ঞাত—ধূলি ধেমেলীয়া
মোৰেই ছবি ;

আজি মোৰ মন লভিছে বিস্ময়
শুনি অকাৰণে মোৰ জয়'
গোপনে গোপনে কিয় দেখি ললা
তুমি হে দেবী !

মালতীৰ মালা তুমি যে গাঁথিলা,
পূজা-উপচাৰ তুমি যে আনিলা
কোৱা কোৱা দেবী, কিবা শুণ বাৰু
মোত নো দেখি ?
সকলোৱে নাচে, সকলোৱে গায়,
সকলোলোৱে খেলে, সকলোৱে যায়,
ময়োতো কেনেই ;—আছা কিনো আশা
মোত নো ৰাখি ?

সম্মান তোমাৰ পাৰিম নে ৰাখিব,
ইঙ্গিত তোমাৰ পাৰিম নে কৰিব,
কামনা তোমাৰ পাৰিমনে পূৰাব
পৰাণ-পণে ?

পুৰোহিত দেৱী, দিয়া তেনে মাত,
কৰক আমাক শুভ-আশীৰ্ব্বাদ,
গ'ক গ'ক তেনে নামতী সকলে
আনন্দ-মনে !

আমাৰ মধুৰ মঙ্গল মিলন,
আমাৰ প্ৰেমৰ মধুৰ সপোন
সাৰ্থক হ'ক সাৰ্থক হ'ক
আজি হে দেৱী !
তুমি শুনাবাহি মোৰেই কাহিনী,
মই গাম দেৱী, তোমাৰে ৰাগিণী,
ধন্য কৰিবা, ধন্য হ'মহি
তোমাক সেৱি !

# আনন্দত

আজি যে হিয়াত মোৰ সৰগৰ গীতধ্বনি বাজে
আৰু কাৰ পুণ্য-আশীৰ্ব্বাদ ;
আজি যে মোৰেই বাবে মেলা আছে সৰগ-দুৱাৰ,
বৰ-মালা, আবাহন-মাত !—

আজি যে জোঁকাৰি উঠি বাজিছেহি মধুৰ মধুৰ
তাঁৰে তাঁৰে পৰাণ-বীণাৰ—
আজিৰ ই আনন্দৰ অন্তহীন সৰল-সঙ্গীত.
প্ৰেম-গীতি মোৰ ই হিয়াৰ !

আজি যে গাইছে গীত এই মোৰ অন্তৰ-বাহিৰ,
—বিশ্বময় আনন্দৰ গীত,—
·এই অন্তহীন গীত আৰু এই অশ্ৰু আনন্দৰ
নহয় নে তোমাৰে ৰচিত ?

# অন্তিমত

হৃদয়ত প্ৰেমৰ যি তটিনী আকুল
তৰঙ্গৰ আঘাতেৰে কঁপাই দুকুল
বইছেহি নিৰন্তৰ যেন অন্তহীন
সগৰ্ব্বে উপেক্ষা কৰি সুদিন দুৰ্দ্দিন
গাই গাই নিজমনে প্ৰণয়ৰ গান,—
স্নাত কৰি যাম তাৰে আনন্দিত প্ৰাণ
এই বিশ্বখনি,—যেৱে মাতিব সাদৰি
আনন্দে বিজয়লক্ষ্মী বৰমাল্য ধৰি
সুকোমল দুহাতেৰে।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.



অজ্ঞাত সুদূৰ—
আছে য'ত চিৰদিন কোমল-মধুৰ
আনন্দ, প্ৰণয়, সুখ, শান্তি সুনিৰ্ম্মল,
বয় নিতে প্ৰেমগীত, পবন হিল্লোল,
যাম সেই অসমীত—হাতে হাতে ধৰি
বিজয়লক্ষ্মীৰে স'তে বাই স্বৰ্ণতৰী।

PLEASE HANDLE THE BOOK CAREFULLY.